# ভোটাৰ তালিকাৰ খচৰা প্ৰকাশৰ

# **ৰাজহুৱা জাননী**

প্ৰতি,

নগাঁও জিলাৰ অন্তৰ্গত সকলো জিলা পৰিষদ সমষ্টিৰ গাওঁ পঞ্চায়ত এলেকাৰ ভোটদাতাসকললৈ জাননী।

ইয়াৰ দ্বাৰা জাননী দিয়া হয় যে, অসম পঞ্চায়ত আইন ১৯৯৪ (বৰ্তমানলৈ সংশোধীত সংশোধনীৰ সহ) ৰ অধীনত, অসম পঞ্চায়ত বিধি ১৯৯৬ৰ বিধি ১২ৰ উপ বিধি (২) অনুসৰি ভোটাৰ তালিকাখন প্ৰস্তুত কৰা হৈছে আৰু ইয়াৰ এটা প্ৰতিলিপি নিৰীক্ষণৰ বাবে তলত উল্লেখ কৰা স্থান সমূহত দিয়া হৈছে।

১) অসম ৰাজ্যিক নিৰ্ব্বাচন আয়োগৰ Website ত।
২) উপায়ুক্তৰ কাৰ্য্যালয় Website ত।
৩) সংশ্লিষ্ট চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত।
৪) সংশ্লিষ্ট আঞ্চলিক পঞ্চায়তৰ কাৰ্য্যালয়ত।
৫) সংশ্লিষ্ট গাওঁ পঞ্চায়তৰ কাৰ্য্যালয়ত।
৬) সংশ্লিষ্ট ভোট গ্ৰহণ কেন্দ্ৰত।

ভোটাৰ তালিকা প্ৰস্তুত কৰণৰ বাবে ০১-০১-২০২৩ তাৰিখটোকেই উপযুক্ততাৰ **সীমা বুলি গণ্য কৰা হৈছে।**

উপযুক্ততাৰ বাবে নিৰ্দ্ধাৰিত উল্লেখিত তাৰিখৰ ভিতৰত ভোটাৰ তালিকাত নাম অৰ্ন্তভূক্তকৰণৰ বাবে দাবী অথবা লিপিভুক্ত তালিকাৰ যিকোনো খুতি-নাতি সম্পৰ্কীয় আপত্তি যদি কাৰোবাৰ আছে, তেন্তে ইং ২৮-০৮-২০২৩ তাৰিখৰ পৰা ১২-০৯-২০২৩ তাৰিখৰ ভিতৰত যিকোনো চৰকাৰী কাৰ্য্যালয় বন্ধৰ দিনৰ বাদে দাখিল কৰিব লাগিব আৰু ইয়াৰ বাবে ভোটাৰ **পঞ্জীয়ন বিধি ১৯৬০ৰ প্ৰ-পত্ৰ নং ৬, ৭ আৰু ৮ পূৰাব লাগিব।**

এনেধৰণৰ যিকোনো দাবী বা আপত্তি, নিম্ন স্বাক্ষৰকাৰীৰ কাৰ্য্যালয়ত অথবা সংশ্লীষ্ট গাওঁ পঞ্চায়তৰ কাৰ্য্যালয়ত অথবা সংশ্লিষ্ট ভোট গ্ৰহণ কেন্দ্ৰৰ কতৃত্ব প্ৰাপ্ত বিষয়াৰ কাৰ্য্যালয় বা কতৃত্বপ্ৰাপ্ত বিষয়াৰ হাতত দাখিল কৰিব লাগিব অথবা তলত দিয়া ঠিকনালৈ ডাকযোগে পঠাব লাগিব আৰু ওপৰত উল্লেখ কৰা তাৰিখৰ ভিতৰত নিম্ন স্বাক্ষৰকাৰীৰ কাৰ্য্যালয়ত পাব লাগিব।

জিলা আয়ুক্ত ও
জিলা নিৰ্ব্বাচক পঞ্জীয়ন বিষয়া,
নগাঁও

স্মাৰক নং - এন, ডি, পি, ০২/২০২৩/১১৬ - ক, দিনাংকঃ ২৫-০৮-২০২৩

প্ৰতিলিপি জ্ঞাতাৰ্থে ও বিহীতাৰ্থে প্ৰেৰণ কৰা হলঃ

ক) সচিব, অসম ৰাজ্যিক নিৰ্ব্বাচনী আয়োগ, আদিত্য টাৱাৰ, জি.এছ পথ, গুৱাহাটী-৬।
খ) ডি. আই. অ, এন, আই, চি, নগাঁও।
গ) জিলা তথ্য ও জনসম্পৰ্কৰক্ষী বিষয়া, নগাঁও বহুল প্ৰচাৰৰ বাবে।
ঘ) সংশ্লিষ্ট ভোট গ্ৰহণকেন্দ্ৰ।
ঙ) সংশ্লিষ্ট (উপৰোক্ত) কাৰ্য্যালয়ৰ জাননী ফলক।

জিলা আয়ুক্ত ও
জিলা নিৰ্ব্বাচক পঞ্জীয়ন বিষয়া,
নগাঁও